16-17

ISSN-2394-8817

# দক্‌চিৰি



VOl-1 Issue-2 Nov-Dec 2016 ISSN-2394-8817

# দকচিৰি

[illegible]

**Doksiri**

Literary & Socio Cultural Bi-Monthly

বৰ্ষ ঃ ১ ঃ সংখ্যা ঃ ২ ঃ নৱেম্বৰ-ডিচেম্বৰ, ২০১৬ ঃ মূল্য- ৫৫ টকা



সম্পাদক ঃ উজ্জ্বল পাওগাম

সম্পাদনা সহযোগী ঃ অজয় কুমাৰ বসু

পৰিচালনা সম্পাদক ঃ কনকুল বাঁহী পাওগাম

ব্যৱস্থাপনা ঃ জিনতু মুকন

উজ্জ্বল পাওগামৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত

**পৰ্যালোচনা** বিপুল কুমাৰ নিহিডীয়া ▸ ৰবীন্দ্ৰ বধাৰ কবিতা || ৮২

**কবিতা**
সমীৰ তাঁতী ▸ ইয়াৰপৰাই || ৮৮
জ্ঞান পূজাৰী ▸ তথাইল নিয়া শিলখনীয়াতেক || ৮৯
নীলিম কুমাৰ ▸ এটা প্ৰেমৰ কবিতা || ৯০
নীলকান্ত শইকীয়া ▸ তলাৰ কবিতা || ৯১
নীলিমা ঠাকুৰীয়া হক ▸ পুতলা নাচ || ৯২
কৰবী বড়া ▸ জেবেৰা || ৯৩
বিজয়া শংকৰ বৰ্মন ▸ সেৱালী || ৯৩
ৰাজীৱ বৰপৈল ▸ নিঃস্বতা || ৯৩
সেৱিকা দত্ত ▸ স্বপ্নহীনা || ৯৪
ৰিটাং নমুসুদাৰী ▸ ভোক আৰু প্ৰেম || ৯৫
শচীন্দ্ৰ ফুকন ▸ মই এতিয়াও সাৰে থাকোঁ || ৯৫

**অনুবাদ কবিতা** গুজৰাটী - নীলিমা বৰগোহাঁই || ৯৬

**জনজাতীয় কবিতা** কাৰ্বি - শান্তী কাথাৰ || ৯৬

**গল্প**
দীপাঞ্জলি বৰা ▸ সুগন্ধি মৰমবোৰ || ৯৯
গজানন হাজৰিকা ▸ এটা পুৰণা কাহিনী || ১০৩

**ধাৰাবাহিক উপন্যাস** গোবিন্দ কুমাৰ শইকীয়া ▸ ব্ৰাত্যজনৰ ডায়েৰী || ১০৯

**গ্ৰন্থবাৰ্তা** লক্ষীনন্দন বৰগোহাঞি ▸ একুৰা জোনাকৰ জুই || ১১৪
বেলি আৰু ফুলৰ দেশত || ১১৪
একান্ত || ১১৫

**প্ৰজ্ঞালোক**
ড° জগৎজ্যোতি চেতীয়া ▸ The Theory of Everything || ১১৬
ড° সত্যকাম বৰঠাকুৰ ▸ আকাশ নথকা ৰাতি || ১২১

**ভ্ৰমণ** অৰুণ গহিং ▸ নাগালেণ্ড-মণিপুৰ চাই আহিলোঁ || ১২৫

**শেষ পৃষ্ঠা** ড° জ্যোতিৰেখা হাজৰিকা ▸ 'অসম ছাত্ৰ সন্মিলন'ৰ শতবৰ্ষৰ অনুভৱ || ১২৭

# নাগালেণ্ড-মণিপুৰ চাই আহিলোঁ

**তৰুণ লইং**

নৈসৰ্গিক সৌন্দৰ্যৰে পৰিপূৰ্ণ তথা বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি উত্তৰ-পূৰ্বাঞ্চল সৌন্দৰ্যই সুকীয়া। সেয়ে বন্ধ পালেই উত্তৰ- পূৰ্বাঞ্চলৰ আঠটাই কেইখন ৰাজ্যতে ঘূৰি ফুৰাটো এটা অভ্যাসত পৰিণত হ'বলৈ ধৰিছে। ২০১৫ চনৰ এপ্ৰিল মাহৰ ১৩ তাৰিখৰ পৰা ২০ তাৰিখলৈকে মিজোৰাম আৰু ত্ৰিপুৰা ভ্ৰমণৰ সময়ত মটৰ চাইকেল চলাওঁতে দুখন পাহাৰীয়া বিষয় মটৰ চাইকেলত হাত দিবলৈকে মন নোযোৱা হৈছিল। শৈক্ষিক দিনপঞ্জী (Academic Calander) মতে চাই জুলাই মাহৰ আগত কোনো বন্ধ নেদেখি অকণ আৰু মই নাগালেণ্ড- মণিপুৰ যাবলৈ সিদ্ধান্ত ল'লোঁ। সেয়ে ৩০ এপ্ৰিলত কলেজ কৰ্তৃপক্ষৰ পৰা কেৱল এদিনৰ ছুটী বিচাৰি ০১ মে' তাৰিখে ৰাতিপুৱা ৫.৩০ মান বজাত ঘৰৰ পৰা ৰাওনা হ'লোঁ। অকণৰ ফোনটো Switch Off পাই চিধাই অকণৰ ঘৰলৈ ঢাপলি মেলিলোঁ। অকণক ঘৰত লগ পাওঁতেই এইবাৰ গ'লোঁ অনিমেষ বেৰা ঘৰলৈ। মোৰ Yamaha Rx100 বাইকখন অনিমেষ বৰুৱাক দি তেওঁৰ Bajaj কোম্পানীৰ Pulsar 150 চিচিৰ বাইকখন চাৰিদিনৰ বাবে সলাই ল'লোঁ। বাইকখনৰ পিছৰ কেৰিয়াৰ'ত বোজা ৰাখিবৰ বাবে মই নিজে মটৰ চাইকেলৰ টিউব এটা কাটি ৰবৰৰ দৰে কৰি তাৰে দুডালত পকাই পকাই ছোৱালীৰ বেণী গঁথাৰ দৰে গাঁথি (মোৰা) ৰচ্চীডাল উলিয়াই ল'লোঁ। যথেষ্ট মজবুত এই টিউব ৰচীৰে যিকোনো বস্তু বান্ধিবলৈ বৰ ভাল। সেয়ে এটা প্ৰায় ১.৫ × ১.৫ ফুটৰ বেগ সেই টিউবডালেৰে ছাইড কেৰিয়াৰত বান্ধি যাত্ৰা আৰম্ভ কৰিলোঁ। নুমলীগড় পোৱাৰ লগে লগেই এহেজাৰ টকাৰ তেল ভৰালোঁ। ডিলিঙলিত থকা গেৰেজ এটাত সোমাই বাইকৰ চেইনডালকো টানাই ল'লোঁ। ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথেদি আমাৰ বাইকৰ গতি ৭০-৭৫ ত আৰম্ভ হ'ল। পথত যান-বাহন একো নাছিল বাবে ঠাই বিশেষে ৰাস্তাৰ ভাল-বেয়াৰ ওপৰত ভিত্তি কৰি আমাৰ স্পীড ৮০-৮৫ লৈকো বৃদ্ধি পাইছিল। নুমলীগড়ৰ পৰা চিধা-চিধি গৈ ডিমাপুৰৰ Hotel Alvyn -ত ৰয় খালোঁ। ডিমাপুৰত ভাত খাই থকাৰ সময়তে দহ বাৰজনীয়া দল এটাক দোকান সমূহবোৰত নেপালৰ ভূমিকম্পৰ ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্দেশ্যে ধনমুষ্টি লৈ ফুৰা দেখিবলৈ পাইছিলোঁ।

সেইদিনা আমাৰ লক্ষ্যস্থল আছিল কোহিমা। মনতে Tight Schedule নোলোৱাৰ কথা ভাবিলোঁ। কাৰণ Hurry কৰিলে Worry হ'বলগীয়া হয়। নাগালেণ্ডৰ পাহাৰৰ মাজেদি একা-বেঁকা পথেদি ৪০-৪৫ মান গতিবেগত আমাৰ বাইক চলাবলৈ ল'লোঁ। Pherima পাৰ হোৱাৰ অলপ পিছতেই মই অকণক চলাবৰ বাবে বাইকৰ চাবিটো

দিলে। অকলে কোহিমা পোৱাৰ ঠিক সাত কিলোমিটাৰমান আগেয়ে আকৌ মোক চাবিটো দি ক'লে ঃ "কোহিমা টাউনৰ সমস্যাবোৰত তই চলাব লাগিব।" মই অকলৰ কথাত হাঁহি হে কোহিমা নগৰৰ গুৰুত্বপূৰ্ণ ট্ৰেফিক জামৰ মাজেৰে আগবাঢ়ি গ'লো। কিছুদূৰ যোৱাৰ পিছত কোহিমা কেথেড্ৰেললৈ যোৱা এখন ফলকৰ নিৰ্দেশনা দেখা পাই অকলক কোহিমা কেথেড্ৰেলখনত সোমাই এপাক চাই যোৱাৰ কথা ক'লো। কাৰণ মই আগতে কোহিমালৈ কেইবাবাৰো গৈছো যদিও কেথেড্ৰেলখন চোৱাৰ সৌভাগ্য হোৱা নাছিল। আমি দুয়ো কোহিমাৰ Khazu Point টো পাৰ হৈ সোমাইছিলো ধুনীয়া কেথেড্ৰেলত দুই একোপ ফটো তুলিলো। ফটো তুলি থকাৰ সময়ত লগ পালো St. Joseph College ৰ NSS Programme Officer বেনেডিক্টক। বেনেডিক্টে মোক দেখি সেইদিনা আচৰিত হৈছিল। কাৰণ, তেওঁ কেতিয়াও ভবা নাছিল যে মই মটৰ চাইকেল লৈ কোহিমাত ঘূৰি ফুৰিম। বেনেডিক্টে সেইদিনা কেথেড্ৰেলৰ সভাকক্ষত আয়োজিত হোৱা এখন সভাত বক্তৃতা দিবলৈ আহিছিল। অলিভিয়া নামৰ বেনেডিক্টৰ সহকৰ্মী এগৰাকীৰ লগতো সেইদিনা চিনাকী হ'লো। বেনেডিক্টে মোক সেইদিনা কৈছিল ঃ "নিশ্চয় আপুনি কোনোবা নাগা ছোৱালীৰ প্ৰেমত পৰিছে, সেয়েহে আপুনি নাগালেণ্ডলৈ ইমানকৈ অহা-যোৱা কৰে।" মই হাঁহি হাঁহি বেনেডিক্টক 'এনেকুৱা কোনো কথা নাই'— বুলি ক'লো। কোহিমা কেথেড্ৰেলৰ পৰা বেনেডিক্ট আৰু অলিভিয়াৰ পৰা বিদায় লৈ এইবাৰ আমাৰ যাত্ৰা আৰম্ভ হ'ল মাও অভিমুখে। নাগালেণ্ড আৰু মণিপুৰ সীমান্ত অঞ্চলৰ মাও (নগৰৰ বেছিভাগ লোকৰ-পোহাৰ মণিপুৰৰ Senapati District ত আছে) নগৰত সেইদিনা সন্ধ্যা প্ৰায় ছমান বজাত Golden Rice Hotel ত সোমাই পৰিলো। হোটেলখনত থকা-খোৱাৰ ব্যৱস্থা আছে যদিও বৰ সুবিধাজনক নহয়।

মাও নামৰ ঠাইডোখৰৰ বিদ্যুতৰ নাটনি সঁচাকৈয়ে অনুভৱ কৰিবলগীয়া। দিনটোৰ মাত্ৰ চাৰি পাঁচ ঘণ্টামানৰ বাবেহে বিদ্যুৎ থাকে। বেলি পৰাৰ লগে লগে ঠাণ্ডাও বেছিকৈ নামি আহিবলৈ ধৰিছিল। আমি হোটেলৰ মুখতে দুজনমান ল'ৰাই জুই ধৰি থোৱা দেখি তাতে হাত-ভৰিবোৰ সেঁকিবলৈ ধৰিলো। কিছুসময়ৰ পিছত মটৰ চাইকেলখন ৰাস্তাতে পাৰ্কিং কৰি 'গ'ল্ডেন ৰাইচ হোটেল'ত ভাত খাই দীঘল দি পৰিলো। মটৰ চাইকেলৰ যাত্ৰাই হওক বা অন্যান্য যাত্ৰাই হওক মই সাধাৰণতে দুখন বিছনা চাদৰ আৰু এখন পাতল কম্বল লগত লৈ যাওঁ। কিয়নো হোটেলেই হওক বা আন গেষ্ট হাউচ নাইবা টুৰিষ্ট ল'জ য'তেই নহওক নিজৰ বিছনা চাদৰকেইখন সাধাৰণতে ব্যৱহাৰ কৰিবলৈ ভাল। তলে-ওপৰে দুখন বিছনা চাদৰ কাপোৰ থাকিলে ওপৰত যেই সেই কাপোৰ লৈ শুব পৰা যায়। সেইদিনা নিজে লৈ যোৱা বিছনা চাদৰ আৰু কম্বলখনে যথেষ্ট কামত দিছিল।

(ক্ৰমশঃ)

লেখক সহকাৰী অধ্যাপক, অসমীয়া বিভাগ যোৰহাট মহাবিদ্যালয়, ভ্ৰাম্যভাষ ঃ ৮১৩৩৯১৪১২২